# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 31-10-2024

**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - -**

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি একতাৰ ভাৱনাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰীয় একতা ভংগ কৰাৰ প্ৰচেষ্টা চলোৱা বিভাজনকাৰী শক্তিসমূহৰ পৰা সাৱধান হ'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়। গুজৰাটৰ কেৱৰিয়াত লৌহমানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ জয়ন্তী উপলক্ষে আয়োজিত ৰাষ্ট্ৰীয় একতা দিৱসৰ সমাৰোহত জনসাধাৰণক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, অনাগত ২৫ বছৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বৰ বাবে ৰাষ্ট্ৰীয় একতা অত্যন্ত গুৰুত্বপূৰ্ণ। তেওঁ কয় যে, বিগত ১০ বছৰত চৰকাৰে নিজৰ নীতি আৰু সিদ্ধান্তৰ জৰিয়তে **'এক ৰাষ্ট্ৰ'**ৰ ভাৱনাক সদায় শক্তিশালী কৰি আহিছে।

ৰাষ্ট্ৰীয় একতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি শ্ৰী মোদীয়ে কয় যে দেশৰ সন্মুখত এনে বহু প্ৰত্যাহ্বান আছে, যিসমূহে একতা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত শংকাৰ সৃষ্টি কৰে। তেওঁ নাগৰিকসকলক এইক্ষেত্ৰত সদায় সজাগ হৈ থকাৰ লগতে ভাৰতৰ 'অনৈক্যৰ মাজত ঐক্য'ৰ ধাৰণাক আঁকোৱালি ল'বলৈ আহ্বান জনায়। উত্তৰ-পূবৰ উন্নয়ন আৰু বিকাশ ত্বৰান্বিত কৰাত কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰা বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। অসমত বড়ো শান্তি চুক্তি আৰু ত্ৰিপুৰাৰ ব্ৰু-ৰিয়াং মীমাংসা হোৱাত উত্তৰ-পূৰ্বাঞ্চলত শান্তি আৰু স্থিৰতা আহিছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে, দীৰ্ঘকালীন সমস্যাসমূহৰ সমাধানে উত্তৰ-পূবত বিচ্ছিন্নতাবাদী চিন্তা পৰিহাৰ কৰি এটা ইতিবাচক পৰিৱেশ সৃষ্টি কৰিছে। অসম আৰু মেঘালয়ৰ সীমা সমস্যা বহুখিনি মীমাংসা হৈছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। কেন্দ্ৰীয় চৰকাৰে অসমীয়াৰ লগতে মাৰাঠী, বাংলা, পালি আৰু প্ৰাকৃতক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়া সন্দৰ্ভত তেওঁ সন্তুষ্টি প্ৰকাশ কৰে।

ooooo

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো আজি ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হৈছে। এই উপলক্ষে **গোৱালপাৰা** জিলাৰ আৰক্ষী প্ৰশাসনে শাৰীৰিক কুচকাৱাজ প্ৰদৰ্শন কৰে। গোৱালাপাৰা জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা আৰম্ভ হোৱা কুচকাৱাজেৰে আৰক্ষী, চি আৰ পি এফ জোৱানসকলে গোৱালপাৰা চহৰ পৰিভ্ৰমণ কৰি জিলা সংৰক্ষিত আৰক্ষী ছাউনীত উপস্থিত হৈ সামৰণি মাৰে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি সংৰক্ষিত আৰক্ষী ছাউনীত শপতবাক্যও পাঠ কৰোৱা হয়। **নলবাৰী** জিলাতো আজি জিলা প্ৰশাসনৰ উদ্যোগত একতাৰ সমদল উলিওৱা হয়।

**মৰিগাঁও** জিলা প্ৰশাসনৰ উদ্যোগত তৰুণৰাম ফুকন খেলপথাৰত ৰাষ্ট্ৰীয় একতা দিৱসৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত উপস্থিত থকা ব্যক্তিসকলে ঐক্য আৰু অখণ্ডতা বজাই ৰখাৰ প্ৰতিশ্ৰুতি দৃঢ় কৰি সংযুক্ত ভাৰতৰ দৃষ্টিভংগীৰ হকে শপতবাক্য পাঠ কৰে। **বাক্সা** জিলা প্ৰশাসনৰ উদ্যোগত জিলাৰ সদৰ মুছলপুৰত এই দিৱস উদযাপন কৰা হয়।

একেদৰে নগাঁও, শোণিতপুৰ, যোৰহাট, গোলাঘাট আদি জিলাতো ৰাষ্ট্ৰীয় একতা দিৱসৰ কাৰ্যসূচী পালন কৰা হয়।

ooooo

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হৈছে। দীপাৱলীৰ লগতে কালী পূজা উপলক্ষে **গোৱালপাৰাত** উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। গোৱালপাৰা নগৰৰ শান্তিনগৰ সাৰ্বজনীন শ্যামাকালী মন্দিৰত কালী পূজা উলহ-মালহেৰে পালন কৰা হৈছে। সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি চাৰিদিনীয়া কাৰ্যসূচীৰে কালী পূজা আয়োজন কৰা হয়। এই উপলক্ষে আজি মন্দিৰ প্ৰাংগণৰ পৰা বাৰেবৰণীয়া শোভাযাত্ৰা উলিওৱা হয়।

**বাক্সা** জিলাৰ হজুৱা পুনৰ মিলন সংঘৰ উদ্যোগত আজিৰে পৰা সাতদিনীয়া কাৰ্যসূচীৰে তৃতীয় বাৰ্ষিক শ্যামা পূজা পালন কৰা হৈছে।

**ধুবুৰী** জিলাতো উলহ-মালহেৰে কালী পূজা আৰু দীপাৱলী উদযাপন কৰা হৈছে। জিলাখনৰ বিভিন্ন বিপণীত দীপাৱলীৰ সামগ্ৰীৰে ভৰি পৰিছে। জিলাখনৰ বাট-পথসমূহ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে।

ooooo

ভাৰত আৰু চীনে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কাষৰীয়া কেতবোৰ অঞ্চলৰ ক্ষেত্ৰত থকা মতানৈক্য সমাধানৰ বাবে কূটনৈতিক আৰু সামৰিক দুয়োটা পৰ্যায়তে আলোচনাত মিলিত হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰে। তেওঁ কয় যে, এই আলোচনা অনুসৰি সম আৰু পাৰস্পৰিক নিৰাপত্তাৰ ভিত্তিত বহুলভাৱে সহমতত উপনীত হয়। শ্ৰী সিঙে আজি তেজপুৰৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে টাৱাঙত চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিমূৰ্তি আৰু মেজৰ ৰালেংনাও বব খাটিং 'সাহসৰ সংগ্ৰহালয়' উদ্বোধন কৰি এনেদৰে কয়। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে টাৱাঙত নিৰ্মাণ কৰা চৰ্দাৰ পেটেলৰ প্ৰতিমূৰ্তিয়ে একতাৰ শক্তি আৰু ভাৰতৰ দৰে বিবিধতাৰে পূৰ্ণ এখন ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা অদম্য সাহসৰ কথা জনসাধাৰণক সোঁৱৰাই দিয়াৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগাব। শ্ৰী সিঙে উল্লেখ কৰে যে উত্তৰ-পূব খণ্ডৰ উন্নয়ন হ'লেহে দেশৰ সামগ্ৰিক বিকাশ সম্ভৱ হ'ব। চৰকাৰে এনে এখন উত্তৰ-পূৰ্বাঞ্চল নিৰ্মাণ কৰিব, যিখন কেৱল প্ৰাকৃতিক আৰু সাংস্কৃতিকভাৱে শক্তিশালী আৰু সমৃদ্ধই নহয়, বৰং আৰ্থিকভাৱেও উন্নত হ'ব বুলি শ্ৰী সিঙে মন্তব্য কৰে।

প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে সেনা বাহিনীয়ে কেৱল সুৰক্ষা প্ৰদানেই নকৰে, বৰঞ্চ সীমান্ত এলেকাসমূহত জনসাধাৰণৰ সৈতে সহযোগ কৰি সেই খণ্ডসমূহৰ উন্নয়নৰ এটা মাধ্যম হিচাপেও কাম কৰে। তেওঁ কয় যে ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন, শান্তি আৰু নিৰাপত্তা নিশ্চিত কৰাৰ বাবে ভাৰতৰ দায়বদ্ধতা আৰু অধিক শক্তিশালী হৈ পৰিছে।

উল্লেখযোগ্য যে অসমৰ তেজপুৰৰ 4 Corps ৰ মুখ্য কাৰ্যালয়ৰ পৰা প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰী সিঙে এই উদ্বোধনী কাৰ্যসূচী ৰূপায়ণ কৰে। তেওঁ আজি অৰুণাচল প্ৰদেশৰ টাৱাং ভ্ৰমণ কৰাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে এই কাৰ্যসূচী বাতিল কৰা হয়। আজিৰ অনুষ্ঠানত গৱৰ্ণৰ অৱসৰপ্ৰাপ্ত লেফটেণেণ্ট জেনেৰেল কে টি পাৰনাইক, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিঙৰ লগতে মেজৰ বব খাটিঙৰ পৰিয়ালৰ লগতে অন্যান্য ব্যক্তিসকল উপস্থিত থাকে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাতত অনুষ্ঠানত সতৰ্কতা সপ্তাহ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানত তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান সুৰেন্দ্ৰ কুমাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

ooooo

সমাপ্ত